**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 22-10-2024 **Time :** 1845 Hrs.

***Assamese Evening Bulletin***
***Headlines***

১। ৰাছিয়া-ইউক্ৰেইনৰ সংঘাত শান্তিপূৰ্ণ পন্থাৰে সমাধান কৰিবলৈ ভাৰতে সহযোগ কৰিব বুলি ব্ৰীক্‌ছ সন্মিলনৰ প্ৰাক মুহূৰ্তত কাজানত প্ৰধানমন্ত্ৰীৰ মন্তব্য।

২। যোৰহাটৰ পৰা ডিব্ৰুগড়লৈ ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণৰ কাম শীঘ্ৰেই সম্পূৰ্ণ হ'ব বুলি কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীৰ সৈতে বৈঠকৰ অন্তত মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

৩। ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে ৰাজনৈতিক তৎপৰতা বৃদ্ধি। ধলাই সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী ধ্ৰুৱজ্যোতি পুৰকায়স্থৰ মনোনয়ন পত্ৰ দাখিল।

৪। কেন্দ্ৰীয় কৃষি ৰাজ্য মন্ত্ৰী ভগীৰথ চৌধুৰী দুদিনীয়া ভ্ৰমণসূচীৰে তিনিচুকীয়াত উপস্থিত হৈ পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ।

আৰু

৫। অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ অন্তিম পৰ্যায় সন্দৰ্ভত ৰাজ্যৰ মুখ্য সচিবৰ সৈতে জিলা আয়ুক্ত আৰু আৰক্ষী অধীক্ষকৰ আলোচনা।

০০০০০০০

ৰাছিয়া-ইউক্ৰেইনৰ সংঘাত শান্তিপূৰ্ণ পন্থাৰে সমাধান কৰা উচিত বুলি ভাৰতে গ্ৰহণ কৰা স্থিতি সন্দৰ্ভত আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পুনৰ উল্লেখ কৰিছে। তেওঁ কয় যে ভাৰতে মানৱীয় প্ৰচেষ্টাক অগ্ৰাধিকাৰ দি শান্তি আৰু সুস্থিৰতাৰ পুনৰুদ্ধাৰৰ ওপৰত আস্থা ৰাখে। এইক্ষেত্ৰত ভাৰতে সকলো সহযোগিতা আগবঢ়াবলৈ সাজু বুলিও প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। দুদিনীয়া ভ্ৰমণসূচীৰে কাজানত উপস্থিত হোৱা প্ৰধানমন্ত্ৰীয়ে ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমীৰ পুটিনৰ সৈতে হোৱা বৈঠকত কয় যে তেওঁৰ শেহতীয়া ৰাছিয়া ভ্ৰমণে দুয়োখন দেশৰ মাজত সমন্বয় আৰু গভীৰ বন্ধুত্বৰ সম্পৰ্কত আলোকপাত কৰিছে। ব্ৰীক্‌ছ শীৰ্ষ সন্মিলনৰ বাবে কাজানৰ দৰে এখন সুন্দৰ মহানগৰীত উপস্থিত হৈ তেওঁ আনন্দ অনুভৱ কৰিছে বুলিও শ্ৰী মোদীয়ে উল্লেখ কৰে। তেওঁ কয় যে এই মহানগৰীখনৰ সৈতে ভাৰতৰ গভীৰ আৰু ঐতিহাসিক সম্পৰ্ক আছে আৰু কাজানত ভাৰতীয় বাণিজ্যিক দূতাবাস স্থাপনে এই দ্বিপাক্ষিক সম্পৰ্ক অধিক শক্তিশালী কৰি তুলিব বুলি প্ৰধানমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। তেওঁ লগতে কয় যে বিগত ১৫ বছৰত ব্ৰীক্‌ছে নিজৰ বিশেষ পৰিচয় দাঙি ধৰিছে আৰু সম্প্ৰতি বিশ্বৰ বিভিন্ন ৰাষ্ট্ৰই এই গোটৰ অংশীদাৰ হোৱাৰ আগ্ৰহ প্ৰকাশ কৰিছে বুলি তেওঁ মন্তব্য কৰে। ৰাছিয়াৰ ৰাষ্ট্ৰপতিগৰাকীয়ে কাজানত ভাৰতৰ বাণিজ্যিক দূতাবাস স্থাপনৰ সিদ্ধান্তক আদৰণি জনায়। ইপিনে, ৰাওনা হোৱাৰ পূৰ্বে দিয়া এটা বিবৃতিত শ্ৰী মোদীয়ে কয় যে ভাৰতে ইতিমধ্যে গোলকীয় উন্নয়ন কাৰ্যসূচী, সংশোধিত বহুপাক্ষিকতাবাদ, জলবায়ু পৰিৱৰ্তন, অৰ্থনৈতিক সহযোগিতা, শক্তিশালী যোগান শৃংখলা নিৰ্মাণ, সাংস্কৃতিক আৰু জনসম্পৰ্কৰ প্ৰসাৰৰ দৰে বিষয়সমূহক লৈ আলোচনাৰ গুৰুত্বপূৰ্ণ মঞ্চৰূপে পৰিগণিত ব্ৰীকছ ৰাষ্ট্ৰগোষ্ঠীৰ সদস্য ৰাষ্ট্ৰসমূহৰ মাজৰ ঘনিষ্ঠ সহযোগিতাত গুৰুত্ব আৰোপ কৰি আহিছে।

০০০০০

যোৰহাটৰ পৰা ডিব্ৰুগড়লৈ ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণৰ কাম শীঘ্ৰেই সম্পূৰ্ণ হ'ব বুলি কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীৰ সৈতে বৈঠকৰ অন্তত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্যত চলি থকা বিভিন্ন ঘাইপথ প্ৰকল্পৰ অগ্ৰগতি সন্দৰ্ভত আজি নতুন দিল্লীত কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ দপ্তৰৰ মন্ত্ৰী নীতিন গাডকাৰীৰ অধ্যক্ষতাত অনুষ্ঠিত বৈঠকত অংশগ্ৰহণ কৰে। বিভিন্ন সংস্থাৰ দ্বাৰা ৰূপায়ণ কৰা ৫৭টা মুখ্য ৰাষ্ট্ৰীয় ঘাইপথ প্ৰকল্পৰ নিৰ্ধাৰিত সময়ৰ ভিতৰত সম্পূৰ্ণকৰণ সন্দৰ্ভত বৈঠকত আলোচনা কৰা হয়। মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকল্পসমূহৰ কাম ত্বৰান্বিত কৰাৰ বাবে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক আহ্বান জনায়। বৈঠকৰ পাছত মুখ্যমন্ত্ৰীগৰাকীয়ে কয়-

**বাইট**

এই বৈঠকতে যোৰহাট, ডিব্ৰুগড় ঘাইপথৰ নিৰ্মাণ শীঘ্ৰে সম্পূৰ্ণ কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰা হয়। কাজিৰঙা এলিভেটেড কৰিড'ৰৰ বিস্তৃত প্ৰকল্পৰ প্ৰতিবেদন দাখিল কৰিবলৈ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে বিষয়াসকলক নিৰ্দেশ দিয়ে। বৈঠকত বাইহাটা চাৰিআলি-তেজপুৰ ঘাইপথ সম্প্ৰসাৰিত চাৰিলেনযুক্তকৰণ, কমলাবাৰী আৰু নিমাতীঘাট সংযোগী মাজুলী দলঙৰ পুনৰ নিবিদা সন্দৰ্ভতো আলোচনা কৰা হয়। ইয়াৰ লগতে ব্ৰহ্মপুত্ৰৰ তলেৰে গহপুৰ-নুমলীগড় সুৰংগৰ নিৰ্মাণৰ অগ্ৰগতি সন্দৰ্ভতো বৈঠকত আলোচনা হয়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে নৱেম্বৰৰ শেষলৈ ১২১ কিলোমিটাৰ দৈৰ্ঘ্যৰ গুৱাহাটী ৰিং ৰোডৰ নিবিদা কাৰ্য সম্পূৰ্ণ কৰিবলৈ বিষয়াসকলক নিৰ্দেশ দিয়ে। বৈঠকত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে সুচল যাতায়াত, যোগাযোগ ব্যৱস্থা, আঞ্চলিক সংযোগ আৰু অৰ্থনৈতিক বৃদ্ধিৰ বাবে প্ৰকল্পসমূহ ক্ষীপ্ৰতাৰে ৰূপায়ণ হ'ব বুলি আশ্বাস দিয়ে।

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ লগতে অসমৰ সাংসদসকলে এই বৈঠকত অংশ লয়।

উল্লেখযোগ্য যে কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ দপ্তৰৰ মন্ত্ৰী নীতিন গাডকাৰীয়ে কালি নতুন দিল্লীত উত্তৰ পূৰ্বাঞ্চলৰ আন কেইখনমান ৰাজ্যত চলি থকা ৰাষ্ট্ৰীয় ঘাইপথ প্ৰকল্পসমূহৰ কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়। মন্ত্ৰীগৰাকীয়ে বৈঠকত এই প্ৰকল্পসমূহ নিৰ্ধাৰিত সময়ত সম্পূৰ্ণ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ কয় যে এই প্ৰকল্পসমূহৰ ৰূপায়ণে উত্তৰ পূৰ্বাঞ্চলত পৰিবহণ আৰু অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাক বাস্তৱায়িত কৰিব।

০০০০০০০

ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে ৰাজনৈতিক তৎপৰতা ক্ৰমাৎ বৃদ্ধি পাইছে। ধলাই সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী ধ্ৰুৱজ্যোতি পুৰকায়স্থই আজি কাছাৰ জিলাৰ আয়ুক্তৰ কাৰ্যালয়ত মনোনয়ন পত্ৰ দাখিল কৰে। ইপিনে, বঙাইগাঁৱৰ অসম গণ পৰিষদৰ কাৰ্যালয়ত আজি সমাগত উপ-নিৰ্বাচন সন্দৰ্ভত অসম গণ পৰিষদ, বিজেপি আৰু ইউ পি পি এল দলৰ এখন নিৰ্বাচনী সভা অনুষ্ঠিত হয়। এই সভাত বৰপেটাৰ সাংসদ ফণীভূষণ চৌধুৰী, কোকৰাঝাৰৰ সাংসদ জয়ন্ত বসুমতাৰীৰ লগতে তিনিওটা দলৰ ভালেসংখ্যক নেতা-কৰ্মী উপস্থিত থাকে। বঙাইগাঁও জিলাত উপ-নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত বিভিন্ন ৰাজনৈতিক দলে প্ৰচাৰ অভিযান আৰম্ভ কৰিছে। প্ৰতিটো দলে নিজৰ সমৰ্থিত প্ৰাৰ্থীক জয়ী কৰোৱাৰ বাবে গাঁৱে-ভূঞে প্ৰচাৰ সভা পাতি অভিযান অব্যাহত ৰাখিছে।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীত পঞ্চম ৰাষ্ট্ৰীয় জল বঁটাসমূহ প্ৰদান কৰে। অনুষ্ঠানত শ্ৰেষ্ঠ ৰাজ্য, শ্ৰেষ্ঠ জিলা, শ্ৰেষ্ঠ গাঁও পঞ্চায়ত, শ্ৰেষ্ঠ নগৰ অঞ্চল, শ্ৰেষ্ঠ জল ব্যৱহাৰকাৰী সংস্থা আৰু শ্ৰেষ্ঠ নাগৰিক

সমাজকে ধৰি ৯ টা শাখাৰ ৩৮ গৰাকী বিজেতাক বঁটা প্ৰদান কৰা হয়। এই উপলক্ষে আয়োজিত অনুষ্ঠানত দিয়া ভাষণত ৰাষ্ট্ৰপতি মুৰ্মুৱে কয় যে চৰকাৰে জলজীৱন মিছনৰ অধীনত দেশৰ গ্ৰাম্যাঞ্চলৰ ৭৮ শতাংশৰো অধিক পৰিয়াললৈ নলযোগে বিশুদ্ধ খোৱাপানী যোগান ধৰিছে। তেওঁ কয় যে ২০১৯ চনত এই মিছন আৰম্ভ কৰাৰ সময়ত গ্ৰামাঞ্চলৰ মাত্ৰ ১৭ শতাংশ পৰিয়ালতহে নল যোগে পানী যোগানৰ ব্যৱস্থা আছিল। জলজীৱন মিছনৰ বাবে গ্ৰামাঞ্চলত বাস কৰা জনসাধাৰণৰ জীৱন উন্নত হৈছে বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে মন্তব্য কৰে। তেওঁ কয় যে পানী সংৰক্ষণৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰসমূহে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। তেওঁ লগতে দেশত ভূগৰ্ভৰ জলস্তৰ ক্ৰমান্বয়ে হ্ৰাস পোৱাক লৈ উদ্বেগ প্ৰকাশ কৰে। ওড়িশাক শ্ৰেষ্ঠ ৰাজ্যৰ শিতানত প্ৰথম, উত্তৰ প্ৰদেশক দ্বিতীয় আৰু গুজৰাট তথা পুডুচেৰীক যুঁটীয়াভাৱে তৃতীয় পুৰস্কাৰ প্ৰদান কৰা হয়। প্ৰতিটো শাখাৰ বিজেতাক প্ৰশস্তিপত্ৰ, ট্ৰফী আৰু নগদ ধনেৰে পুৰস্কৃত কৰা হ'য়।

০০০০০০০

ৰাজ্যিক নিৰ্বাচন আয়োগৰ নিৰ্দেশমৰ্মে আজি শিৱসাগৰ সদৰ মহকুমা পঞ্চায়তীৰাজ প্ৰতিষ্ঠানৰ অন্তৰ্গত ডিমৌ, শিৱসাগৰ, গৌৰীসাগৰ আৰু আমগুৰি আঞ্চলিক পঞ্চায়তৰ ফটোবিহীন খচৰা ভোটাৰ তালিকা প্ৰকাশ কৰা হয়। চলিত বৰ্ষৰ শিৱসাগৰ সদৰ মহকুমাৰ অন্তৰ্গত পঞ্চায়তৰ মুঠ ভোটাৰৰ সংখ্যা হৈছে ৩ লাখ ৭৮ হাজাৰ ২১ গৰাকী। মহকুমাটোৰ অন্তৰ্গত পঞ্চায়তীৰাজ প্ৰতিষ্ঠানৰ অধীনৰ জিলা পৰিষদৰ আসনৰ সংখ্যা ১৩ খন। একেদৰে আঞ্চলিক পঞ্চায়তৰ আসনৰ সংখ্যা ৪ খন। জিলাখনৰ ৬২ খন গাঁৱৰ ৬২০টা ৱাৰ্ড আছে। আনহাতে মুঠ পঞ্চায়তৰ ভোটকেন্দ্ৰৰ সংখ্যা ৬৩৮টা। ভোটাৰসকলে ermssec.assam.gov.in ৱেবছাইটযোগে ভোটাৰ তালিকাত নিজৰ নাম পৰীক্ষা কৰিব পাৰিব। লগতে ৱেবছাইটযোগে ভোটাৰ পৰিচয় পত্ৰত উল্লেখ থকা নম্বৰ প্ৰয়োগ কৰি ভোটাৰ তালিকা ডাউনল'ড কৰিব পাৰিব।

ইপিনে বঙাইগাঁও সদৰ মহকুমাৰ অধীনৰ পঞ্চায়তৰ খচৰা ভোটাৰ তালিকা প্ৰকাশ কৰা হৈছে। তালিকা অনুসৰি বঙাইগাঁও সদৰ মহকুমাত মুঠ ভোটাৰৰ সংখ্যা এক লাখ ৮৯ হাজাৰ ৭৬৬ গৰাকী। মহকুমাটোৰ অধীনত ৭টা জিলা পৰিষদৰ সমষ্টি, দুখন আঞ্চলিক পঞ্চায়ত, ২৮ খন গাঁও পঞ্চায়ত আৰু ২৮০টা ৱাৰ্ড আছে।

০০০০০০০

যুৱ উদ্যমীসকলক আত্মনিৰ্ভৰশীল কৰি তোলাৰ লগতে বহনক্ষম আৰ্থিক উন্নয়নৰ ভেটি সমৃদ্ধিশালী কৰাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে আৰ্থিক অনুদান প্ৰদানৰ ব্যৱস্থা কৰিছে। সেই অনুসৰি কৃষিমন্ত্ৰী অতুল বৰাই আজি পশুপালন আৰু পশু চিকিৎসা বিভাগৰ জ্যেষ্ঠ বিষয়াসকলৰ উপস্থিতিত গুৱাহাটীত এখন বৈঠকত মিলিত হয়। বৈঠকত গ্ৰাম্য অৰ্থনীতিৰ ভেটি টনকিয়াল কৰাৰ বাবে পশুপালন আৰু দুগ্ধখণ্ডত মনোনিৱেশ কৰা যুৱক-যুৱতীসকলক সহায়-সহযোগিতা প্ৰদানৰ প্ৰয়োজনীয়তা সন্দৰ্ভত গুৰুত্ব আৰোপ কৰা হয়। ৰাষ্ট্ৰীয় গকুল মিছন, হাঁহ-কুকুৰা উদ্যমীৰ বাবে সহযোগিতা আৰু সুযোগ সৃষ্টি কাৰ্যসূচীকে ধৰি বিভিন্ন পদক্ষেপৰ শেহতীয়া অগ্ৰগতিৰ বিষয়ে বৈঠকত পৰ্যালোচনা কৰা হয়। ইয়াৰ উপৰি সমন্বিত নমুনা জৰীপৰ সমান্তৰালকৈ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ অন্যান্য আঁচনিসমূহৰ বিষয়েও বৈঠকত মূল্যায়ন কৰা হয়। হাঁহ-কুকুৰা পালন, গাহৰি পালন, ছাগলী পালন আৰু দুগ্ধ উৎপাদনৰ দৰে গুৰুত্বপূৰ্ণ খণ্ডৰ বৰ্তমানৰ স্থিতি সন্দৰ্ভত কৃষি মন্ত্ৰীগৰাকীয়ে পৰ্যালোচনা কৰে। ৰাজ্যত অহা ১ নৱেম্বৰৰ পৰা মুকলি হ'বলগীয়া পশুধন গণনা কাৰ্যসূচীৰ প্ৰস্তুতি, পশুধনৰ কৃত্ৰিম প্ৰজনন, দুগ্ধ সংসাধন উদ্যোগসমূহৰ শেহতীয়া স্থিতিৰ বিষয়েও বৈঠকত পৰ্যালোচনা কৰা হয়। কৃষি মন্ত্ৰীগৰাকীয়ে বৈঠকত

ভিতৰুৱা অঞ্চলত ভ্ৰাম্যমান পশু চিকিৎসা ইউনিটৰ সুকলমে প্ৰয়োগ কৰাৰ লগতে পৰ্যাপ্ত পশু চিকিৎসক আৰু ঔষধ উপলব্ধ থকাটো নিশ্চিত কৰিবলৈ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে। তদুপৰি টীকাকৰণ অভিযানৰ জৰিয়তে পশুধনৰ ৰোগ নিয়ন্ত্ৰণৰ বিষয়েও বৈঠকখনত আলোচনা কৰা হয়। তেওঁ বৈঠকত পশুধনসমূহৰ সুস্বাস্থ্য নিশ্চিতকৰণৰ জৰিয়তে পশুপালন খণ্ডৰ সৰ্বাংগীন উন্নয়ন সাধন কৰাৰ বাবে টীকাকৰণৰ নিৰ্ধাৰিত লক্ষ্য নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ সংশ্লিষ্ট বিষয়াসকলক আহ্বান জনায়।

০০০০০০০

আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী আৰু নিউজ অন এয়াৰ এপত শুনিবলৈ পাব। শেহতীয়া বা-বাতৰিৰ বাবে আকাশবাণীৰ **ফেচবুক পেজ-এয়াৰ নিউজ গুৱাহাটী, এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই, ইউটিউবত এ আই আৰ নিউজ গুৱাহাটী আৰু ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০০

কেন্দ্ৰীয় চৰকাৰৰ কৃষি আৰু কৃষক কল্যাণ ৰাজ্য মন্ত্ৰী ভগীৰথ চৌধুৰী আজি দুদিনীয়া ভ্ৰমণসূচীৰে তিনিচুকীয়াত উপস্থিত হৈ এখন পৰ্যালোচনা সভাত অংশগ্ৰহণ কৰে। জিলা আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত বৈঠকত অংশ লৈ মন্ত্ৰীগৰাকীয়ে জিলাখনত ৰূপায়িত হৈ থকা বিভিন্ন চৰকাৰী আঁচনিৰ কাম-কাজৰ বুজ লয়। মন্ত্ৰীগৰাকীয়ে কয় যে কৃষি আৰু কৃষকৰ সমৃদ্ধিয়েই নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰৰ মূল লক্ষ্য। কৃষকসকলক কেন্দ্ৰ কৰিয়েই দেশৰ উন্নতি সম্ভৱ হৈ উঠে বুলি তেওঁ মন্তব্য কৰে। মন্ত্ৰীগৰাকীয়ে বৰহাপজানত থকা এখন কৃষি পামো পৰিদৰ্শন কৰে। শ্ৰী চৌধুৰীয়ে আজি নিশাটো জিলাখনতে কটাই কাইলৈ পুৱা তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয় হাস্পতাল পৰিদৰ্শন কৰাৰ লগতে এখন নাগৰিক সন্মিলনতো অংশগ্ৰহণ কৰিব।

০০০০০০০

ৰাজ্যৰ মুখ্য সচিব ডঃ ৰবি কোটাই আজি ২৭ অক্টোবৰত হ'বলগীয়া অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ অন্তিম পৰ্যায় সন্দৰ্ভত জিলা আয়ুক্ত আৰু আৰক্ষী অধীক্ষকসকলৰ সৈতে ভিডিঅ' কনফাৰেঞ্চিং ব্যৱস্থাৰে আলোচনাত মিলিত হয়। ২৭ অক্টোবৰত পুৱা চাৰে ৯ বজাৰ পৰা চাৰে ১১ বজালৈ এহেজাৰ ৪৮৪টা আৰু দিনৰ ডেৰ বজাৰ পৰা বিয়লি ৪ বজালৈ ৮০৮টা কেন্দ্ৰত পৰীক্ষা অনুষ্ঠিত হ'ব। এই পৰীক্ষাত মুঠ ৮ লাখ ২৭ হাজাৰ ১৩০ গৰাকী প্ৰাৰ্থীয়ে অৱতীৰ্ণ হ'ব।

চতুৰ্থ বৰ্গৰ পদৰ নিযুক্তি পৰীক্ষা নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ লক্ষ্যৰে জিলা প্ৰশাসনসমূহে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। **কোকৰাঝাৰ** জিলা প্ৰশাসনে এই পৰীক্ষাৰ বাবে কেইবাটাও নিৰ্দেশনা জাৰি কৰে। ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ ধাৰাৰ অধীনত পৰীক্ষাৰ দিনটো জিলাখনৰ বজাৰসমূহ বন্ধ ৰাখিবলৈ জিলা প্ৰশাসনে নিৰ্দেশ দিছে।

একেদৰে **শোণিতপুৰ** জিলা প্ৰশাসনেও সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰি নিৰ্দেশনা জাৰি কৰিছে। ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ অধীনত পৰীক্ষা কেন্দ্ৰৰ পৰা ১০০ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত পৰীক্ষাৰ্থী আৰু পৰীক্ষাৰ কৰ্তব্যত নিয়োজিত কৰ্মচাৰীৰ বাহিৰে অন্য লোকৰ প্ৰৱেশত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। জিলা প্ৰশাসনে এই সময়ছোৱাত পৰীক্ষা কেন্দ্ৰৰ চৌহদত মোবাইল, কেলকুলেটৰ আদিৰ ব্যৱহাৰ তথা পৰীক্ষা কেন্দ্ৰৰ কাষত বাহন

পাৰ্কিং আৰু খাদ্যৰ দোকান খোলাৰ ক্ষেত্ৰত কঠোৰ নিষেধাজ্ঞা জাৰি কৰিছে। জিলা প্ৰশাসনৰ এই নিৰ্দেশনা ২৭ অক্টোবৰৰ পুৱা ৬ বজাৰ পৰীক্ষা সমাপ্তি নোহোৱালৈকে বলৱৎ থাকিব।

০০০০০০০

অসম চৰকাৰে জনসাধাৰণক বিভিন্ন চৰকাৰী সেৱা সহজতে প্ৰদান কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। এই অনুসৰি চাৰি শতাধিক নাগৰিক সেৱা, ২১৯ টা ব্যৱসায়িক সেৱা আৰু ১৩ টা উপযোগিতা সেৱাৰ সৈতে ৭৫ লাখ আবেদন ডিজিটেলী দাখিল কৰা হৈছে। এই আবেদনসমূহৰ ৮৮ শতাংশ নিষ্পত্তি কৰা হৈছে বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। সামাজিক মাধ্যমযোগে মুখ্যমন্ত্ৰীয়ে কয় যে এই সেৱাসমূহ সুচল হোৱাৰ ফলত চৰকাৰী খণ্ডত সংস্কাৰ সাধন হোৱাৰ লগতে বিভিন্ন আঁচনিসমূহ ৰূপায়ণৰ ক্ষেত্ৰতো সফলতা লাভ কৰা হৈছে। তদুপৰি জনসাধাৰণৰ ওজৰ-আপত্তিৰ আবেদন আৰু নিষ্পত্তিকৰণ অহৰহ নিৰীক্ষণ কৰি থকা হৈছে। তদুপৰি ৯৫ শতাংশ আবেদনকাৰীয়ে এই সেৱাৰ দ্বাৰা সন্তুষ্টি লাভ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে।

০০০০০০০

দেৰগাঁও সাহিত্য সভাৰ শতবৰ্ষ উপলক্ষে গুৱাহাটী মহানগৰ উপ-সমিতিৰ উদ্যোগত আজি গুৱাহাটী প্ৰেছ ক্লাবত ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱা স্মাৰক বক্তৃতা অনুষ্ঠিত হয়। নিবন্ধকাৰ ডঃ প্ৰদ্যুম্ন গোস্বামীয়ে একবিংশ শতিকাত সপোনৰ অসম, সংশয়, প্ৰত্যাহ্বান আৰু সম্ভাৱনা বিষয়ত বক্তৃতা প্ৰদান কৰে। নিজৰ ভাষণত ডঃ গোস্বামীয়ে সপোনৰ অসমখন গঢ়ি তোলাৰ ক্ষেত্ৰত অৰ্থনৈতিক স্বাৱলম্বিতা প্ৰথম প্ৰয়োজন বুলি মন্তব্য কৰে। এই অনুষ্ঠানতে মুকুল কন্দলী সম্পাদিত আভিধানিক হেমচন্দ্ৰ বৰুৱা, জীৱন আৰু সাহিত্য নামৰ গ্ৰন্থখন উন্মোচন কৰা হয়।

০০০০০০০

**সমাপ্ত**